


দশম শ্রেণীৰ বাবে

ভূগোল

পাঠ - ১

অর্থনৈতিক ভূগোলঃ বিষয়বস্তু আৰু সম্পদ

অংশ – ৪ (প্রশ্ন-উত্তৰ)

শ্রাৱণী দেৱী

অনুশীলনী

অতি চমু উত্তৰৰ প্ৰশ্ন —

১। অৰ্থনৈতিক ভূগোল কাক বোলে? ইয়াৰ মূল বিষয়বস্তু কি? অৰ্থনৈতিক ভূগোলৰ প্ৰধান শাখাবোৰ উল্লেখ কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ ভূগোলৰ যিটো শাখাই সম্পদৰ উৎপাদন, বিতৰণ, ব্যৱহাৰ, আৰু বিনিময়ৰ সৈতে জড়িত মানৱ কার্য্যকলাপ সমূহ স্থান আৰু কাল সাপেক্ষে অধ্যয়ন কৰে তাকে অর্থনৈতিক ভূগোল বোলে ।

অর্থনৈতিক ভূগোলত সম্পদ আৰু মানুহৰ কাম-কাজ আদিৰ লগত জড়িত সকলোবোৰ কথাই আলোচনা কৰা হয়।

মানুহৰ অৰ্থনৈতিক কাৰ্যকলাপ বৈচিত্ৰময়, যাৰ ফলত অৰ্থনৈতিক ভূগোলৰ অসংখ্য শাখাৰ গঢ় লৈ উঠে। সেইবোৰ হল -

- কৃষি ভূগোল
- সম্পদৰ ভূগোল
- বিপণন ভূগোল
- পৰিকল্পনা আৰু উন্নয়নৰ ভূগোল
- পৰ্যটনৰ ভূগোল ইত্যাদি।
- ঔদ্যোগিক ভূগোল
- পৰিবহণ ভূগোল

২। অর্থনৈতিক ভূগোলৰ পৰিসৰ সম্পৰ্কে চমুকৈ লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ অর্থনৈতিক ভূগোলত সম্পদ আৰু বিভিন্ন মানৱীয় কার্যকলাপৰ সৈতে জড়িত সকলো পৰিঘটনাৰ বিষয়ে আলোচনা কৰা হয়।

অধ্যয়নৰ পৰিসৰ এই বিশেষ প্রশ্নকেইটাৰ ওপৰত প্রতিষ্ঠিত —

(১) অর্থনৈতিক কার্যটো ক'ত অৱস্থিত?


(২) অর্থনৈতিক কার্যটোৰ বৈশিষ্ট্যবোৰ কি কি?

(৩) অর্থনৈতিক কার্যটো আন কি কি পৰিঘটনাৰ লগত জড়িত?

(৪) অর্থনৈতিক কার্যটো য'ত আছে তাতে কিয় হৈছে?

(৫) অর্থনৈতিক কার্যটো য'ত আছে তাৰ পৰিৱর্তে আন এঠাইত হ'লে বেছি ভাল হ'লহেঁতেন নেকি?

ইয়াৰ পৰা গম পোৱা যায় যে অৰ্থনৈতিক ভূগোলে অৰ্থনৈতিক উন্নয়নৰ গতি আৰু দিশ নির্ণয় , লগতে বিভিন্ন উৎপাদনক্ষম বৃত্তি বা কার্যকলাপ অধ্যয়ণ কৰে ।



৩। মানুহৰ অৰ্থনৈতিক বৃত্তি বুলিলে কি বুজা? এনে অৰ্থনৈতিক বৃত্তিবোৰ কি কি?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ যি অর্থনৈতিক কার্যকলাপৰ ফলত মানুহে জীৱিকা উপার্জন কৰিব পাৰে তাকে অর্থনৈতিক বৃত্তি বোলে ।

মানুহৰ অর্থনৈতিক বৃত্তি বা কার্য চাৰি প্রকাৰৰ :

প্রাথমিক বৃত্তি - যি কার্যৰ দ্বাৰা মানুহে প্রকৃতিবপৰা সম্পদ আহৰণ কৰে তাকে প্রাথমিক বৃত্তি বোলে। যেনে- কৃষি কার্য, মাছ ধৰা কার্য, বনজ সম্পদ আহৰণ, খনিজ সম্পদ আহৰণ ইত্যাদি।

(২) দ্বিতীয়ক বৃত্তি (Secondary Occupation): যি কার্যৰ দ্বাৰা মানুহে প্ৰকৃতিৰপৰা আহৰণ কৰা বিভিন্ন দ্ৰব্য নানান প্ৰযুক্তিৰ জৰিয়তে মানুহৰ ব্যৱহাৰোপযোগী কবি তোলা হয় তাকে দ্বিতীয়ক বৃত্তি বোলে। যেনে- শিল্পোৎপাদন প্ৰক্ৰিয়া, বিভিন্ন নিৰ্মাণ তথা পুনৰ নিৰ্মাণ কার্য ইত্যাদি।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(৩) তৃতীয়ক বৃত্তি (Tertiary Occupation): যি কার্যৰ দ্বাৰা প্ৰাথমিক আৰু দ্বিতীয়ক বৃত্তিৰ যোগেদি উৎপাদিত সামগ্ৰীসমূহ উপভোক্তাৰ ওচৰ পায় তাকে তৃতীয়ক বৃত্তি বোলে। যেনে- যাতায়াত, পৰিবহণ, বজাৰ, পাইকাৰী বা খুচুৰা বিক্ৰী, পৰ্যটন, যোগাযোগ আদিৰ লগত জড়িত অৰ্থনৈতিক কার্যসমূহ।

(৪) চতুর্থক বৃত্তি (Quaternary Occupation): যি কার্যৰ দ্বাৰা দ্বিতীয়ক আৰু তৃতীয়ক বৃত্তিসমূহ অধিক সুচল তথা ফলপ্রসু কৰি তোলাত সহায় কৰে তাকে চতুর্থক বৃত্তি বোলে। যেনে- বেংক বা অন্য বিত্তীয় প্রতিষ্ঠান, প্রচাৰ মাধ্যম, প্রশাসন, শিক্ষা-গৱেষণা আদিৰ লগত জড়িত কার্যসমূহ।

৪। অর্থনৈতিক ভূগোলৰ প্ৰধান শাখাসমূহৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ অর্থনৈতিক ভূগোল প্রধান শাখাসমূহৰ বিষয়বস্তু সমূহ হল:

(i) কৃষি ভূগোল: কৃষি আৰু কৃষিকার্যৰ লগত জড়িত কাৰকসমূহ, কৃষিকার্যৰ বিতৰণ আৰু পদ্ধতি, শস্য উৎপাদন আদি বোৰ হ'ল কৃষি ভুগোলৰ মূল বিষয়বস্তু।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(ii) ঔদ্যোগিক ভূগোল: ঔদ্যোগিক ভূগোলত উদ্যোগ স্থাপনৰ কাৰকসমূহৰ লগতে উদ্যোগৰ প্ৰকাৰ , ভৌগলিক বিতৰণ , উৎপাদন , উদ্যোগসমূহৰ অৱস্থানৰ সৈতে জড়িত তন্ত্ৰ বা অঞ্চলভুক্তীকৰণ , শ্ৰমিক, বজাৰ তথা আমদানি-ৰপ্তানি আদিৰ দৰে বিষয়সমূহ অধ্যয়ন কৰা হয়।

(iii) সম্পদ ভূগোল: সম্পদ ভূগোলত সম্পদৰ প্ৰকাৰ , সম্পদসমূহৰ আঞ্চলিক বিতৰণ , উদ্ঘাটন তথা উৎপাদনৰ লগতে সম্পদ আৰু উন্নয়নৰ মাজৰ সম্পৰ্ক , সম্পদৰ সংৰক্ষণ তথা ব্যৱস্থাপনা আদি অধ্যয়ন কৰা হয়।

(iv) পৰিবহণ ভূগোল: পৰিবহণ ভূগোলত প্ৰধানকৈ পৰিবহণ ব্যৱস্থাৰ প্ৰকাৰ আৰু ইয়াৰ সৈতে জড়িত কাৰকসমূহৰ লগতে সম্পদৰ বিতৰণৰ ক্ষেত্ৰত পৰিবহণৰ ভূমিকা , মানুহৰ অৰ্থনৈতিক কাৰ্যকলাপ তথা যাতায়ত পৰিবহণৰ

ভূমিকা আৰু ঔদ্যোগিক উন্নয়ন , কৃষি উন্নয়ন আদিৰ দৰে অর্থনৈতিক উন্নয়নসমূহৰ বিষয়ে অধ্যয়ন কৰা হয়।

(v) বজাৰ ভূগোল: বজাৰ ভূগোলত বজাৰ স্থাপনৰ সৈতে জড়িত কাৰকসমূহৰ লগতে বজাৰসমূহৰ বিতৰণৰ ধৰণ আৰু ইয়াৰ সৈতে জড়িত তত্ত্বসমূহৰ অধ্যয়নক সামৰি লোৱা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


(vi) পৰিকল্পনা আৰু উন্নয়ন ভূগোল: পৰিকল্পনা আৰু উন্নয়ন ভূগোলত অৰ্থনৈতিক উন্নয়নৰ সৈতে জড়িত কাৰকসমূহৰ লগতে পৰিকল্পনা কৌশল , বহনক্ষম উন্নয়ন , আঞ্চলিক তথা সম্পদভিত্তিক উন্নয়ন প্ৰক্ৰিয়া আদিৰ বিষয়ে অধ্যয়ন কৰা হয়।

(vii) পৰ্যটন ভূগোল: পৰ্যটন ভূগোলত পৰ্যটনৰ সৈতে জড়িত কাৰকসমূহৰ লগতে পৰ্যটনৰ প্ৰকাৰ , পৰ্যটন ব্যৱস্থাৰ বিকাশ আৰু পৰিকল্পনা প্ৰক্ৰিয়া আদিৰ বিষয়ে অধ্যয়ন কৰা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। সম্পদ ভূগোলক কিয় অর্থনৈতিক ভূগোলৰ এটি গুৰুত্বপূর্ণ শাখা বোলা হয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ অর্থনৈতিক ভূগোলৰ এটা গুৰুত্বপূর্ণ শাখা হ'ল সম্পদ ভূগোল। দেশ এখনত উপলব্ধ সম্পদৰ গুণাগুণ, সম্পদৰ পৰিমাণ আৰু সঠিক ব্যৱহাৰৰ সৈতে দেশখনৰ অর্থনৈতিক উন্নয়ন জড়িত হৈ থাকে। আনহাতে, অর্থনৈতিক ভূগোল আৰু ইয়াৰ বিভিন্ন শাখা আৰু উপশাখাবোৰৰ অধ্যয়ন সম্পদ ভূগোলৰ সৈতে পোনপটীয়াকৈ জড়িত। যিমানেই অর্থনৈতিক উন্নয়ন হৈছে সিমানেই সম্পদৰ গুৰুত্ব বাঢ়িছে।

৬। সম্পদ বুলিলে কি বুজায়? ইয়াৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ মানুহৰ জীৱন যাপনৰ বাবে অপৰিহার্য সকলো সামগ্রীকে।

যেনে - বায়ু, পানী, সূর্যৰ ৰশ্মি, মাটি, উদ্ভিদ, ফল-মূল, খনিজ পদার্থ।

সম্পদৰ প্রধান বৈশিষ্ট্য হৈছে

ক) কার্যকাৰিতা

খ) উপকাৰিতা

সম্পদ তিনিপ্রকাৰৰ –

প্রাকৃতিক সম্পদ, মানৱ সৃষ্ট সম্পদ, মানৱ সম্পদ।

৭। 'সম্পদ পৰিৱৰ্তনশীল'- ব্যাখ্যা কৰা।



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ পৰিবেশ আৰু পৰিস্থিতিৰ মাধ্যমত সম্পদ পৰিবৰ্তনশীল হয়। সম্পদৰ এটা বৈশিষ্ট্য হ'ল ইয়াৰ পৰিৱৰ্তনশীল দিশটো।

প্ৰকৃতিত পোৱা কোনো এটা সামগ্ৰী বৰ্তমান মানুহৰ দ্বাৰা ব্যৱহৃত নহ'লেও ভবিষ্যতে উপকাৰী সামগ্ৰী হিচাবে পৰিণত হবও পাৰে আৰু সম্পদলৈ পৰিৱৰ্তন হ'ব পাৰে। এনেধৰণৰ বস্তুক নিৰপেক্ষ বা নিষ্ক্ৰিয় সামগ্ৰী বোলা হয়।

উদাহৰণ স্বৰূপে মানুহে যেতিয়ালৈকে শক্তি উৎপাদনত কয়লা বা খনিজ তেলৰ ব্যৱহাৰ জনা নাছিল তেতিয়ালৈকে সেইবোৰ কেৱল নিৰপেক্ষ সামগ্ৰীহে আছিল।

খনিজ তেল বর্তমানে অত্যধিক ব্যৱহৃত হোৱা সম্পদ আৰু ইয়াৰ অবিহনে দেশ এখনৰ অর্থনৈতিক উন্নয়ন অসম্ভৱ। কিন্তু অদূৰ ভৱিষ্যতে কম খৰচী আৰু সহজলভ্য বিকল্প দ্রব্যৰ উদ্ভাৱনে ইয়াক অব্যৱহৃত সামগ্ৰীলৈ পৰিৱর্তন কৰিব পাৰে।

গতিকে , সম্পদৰ উপকাৰিতা সাময়িক , ইয়াৰ সময় সাপেক্ষে পৰিৱৰ্তন হ'ব পাৰে। মানুহৰ বাবে হানিকাৰক বা অপকাৰী দ্ৰব্যক প্ৰতিৰোধক বোলে। উদাহৰণ স্বৰূপে , দামোদৰ নদীৰ বানপানীয়ে মানুহৰ জীৱন আৰু সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন কৰিছিল। কিন্তু যেতিয়া এই নদীত জলবান্ধ দি বাধা দিয়াৰ বাবে ই উপকাৰী হৈ পৰে আৰু মানুহৰ বসতি আৰু কৃষিত সহায়ক হয়। এনেদৰে এবিধ প্ৰতিৰোধক, সম্পদলৈ পৰিৱৰ্তন হ'ব পাৰে।

৮। সম্পদৰ প্ৰয়োজনীয়তা সম্পৰ্কে উদাহৰণসহ চমুকৈ আলোচনা কৰা।




উত্তৰঃ সম্পদে মানুহক বিভিন্ন ধৰণে সহায় কৰে।

সম্পদৰ কিছুমান প্ৰয়োজনীয়তা তলত উল্লেখ কৰা হলঃ

(ক) জীৱন ধাৰণৰ প্ৰণালীৰ উন্নয়ন: সম্পদৰ প্ৰাচুৰ্যতাই মানুহৰ মৌলিক প্ৰয়োজন অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ প্ৰয়োজন পূৰণ কৰাৰ উপৰিও ই জীৱন – ধাৰণৰ মানদণ্ডৰ উন্নয়ন কৰে।

(খ) আর্থ – সামাজিক উন্নয়ন: প্রয়োজনীয় সম্পদ অবিহনে দেশৰ উন্নতি সম্ভৱ নহয়। উদ্যোগ , কৃষি, বেপাৰ – বাণিজ্যৰ বাবে খনিজ সম্পদ , কৃষিদ্রব্য , বনজ দ্রব্য , মানৱ সম্পদ আদিৰ প্রয়োজন। কোনো এখন দেশ বা এটা জাতি অর্থনৈতিক দিশত উন্নত হয় সম্পদৰ সদ্ ব্যৱহাৰৰ কাৰণে।

(গ) মানব কল্যাণ: মানৱ সমাজৰ বিকাশ সম্পদ আৰু ইয়াৰ সঠিক ব্যৱহাৰৰ ওপৰত পোনপটীয়াকৈ নির্ভৰশীল । সম্পদে মানুহৰ জীৱন ধাৰণৰ বাবে প্রয়োজনীয় অভাৱবোৰ পূৰণ কৰে।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৯। সম্পদ আৰু মানুহৰ মাজত থকা সম্পৰ্কৰ বিষয়ে চমুকৈ লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ সম্পদ আৰু মানুহৰ মাজত এটা নিবিড় আৰু ওতঃপ্রোত সম্পর্ক আছে।

(ক) সম্পদৰ উৎপাদক হিচাপে: মানুহেই সম্পদৰ উৎপাদক। মানুহৰ বাবে প্রয়োজনীয় অধিক সংখ্যক সম্পদেই প্রকৃতিত পোৱা যায় যদিও তাৰে বেছিভাগ কেঁচা সামগ্রীৰ ৰূপত বা ব্যৱহাৰ অনুপযোগী অৱস্থাত পোৱা যায়। এনেবোৰ সম্পদ মানুহে প্রয়োজন অনুসৰি ব্যৱহাৰোপযোগী কৰি লয়।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

খনিজ সম্পদ, বনজ সম্পদ , জলজ সম্পদ , কৃষি সম্পদ আদি মানুহৰ সক্রিয় ভূমিকাৰ অবিহনে বিকশিত কৰা সম্ভৱ নহয়। গতিকে মানুহ হৈছে সকলো সম্পদৰ প্রধান ৰূপান্তৰক। উদাহৰণস্বৰূপে , মানুহৰ দ্বাৰা উৎপাদিত সম্পদবোৰ হ'ল প্রযুক্তিবিদ্যা , ঘৰ , ৰাস্তা , উদ্যোগ , বিদ্যালয় , কার্যালয় , যান-বাহন আদি।

(খ) **সম্পদ উপভোক্তাঃ** মানুহ সম্পদৰ উপভোক্তা। মানুহে খাদ্যশস্য , কাপোৰ , খনিজ তেল আৰু বিভিন্ন ধৰণৰ মানৱ – সৃষ্ট সামগ্ৰীবোৰ উপভোগ বা ব্যৱহাৰ কৰে। পানী , বায়ু , খাদ্য , বস্ত্ৰ , বাসস্থান আদি প্ৰয়োজন সম্পদৰ অবিহনে মানুহে স্বাভাৱিক জীৱন – যাপন কৰিব নোৱাৰে। প্ৰাকৃতিক সম্পদ আৰু মানৱ – সৃষ্ট সম্পদবোৰ কেনেদৰে ব্যৱহাৰ বা বিকাশ হ'ব সেয়া নির্ভৰ কৰে মানুহৰ ওপৰত।

মানৱ জ্ঞান আৰু ইয়াৰ প্ৰসাৰৰ ওপৰত সম্পদ উন্নয়নস্তৰ নিৰ্ভৰশীল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০।

সম্পদ আৰু বিজ্ঞান-প্ৰযুক্তিৰ মাজত থকা সম্পৰ্ক চমুকৈ আলোচনা কৰা।



উত্তৰঃ সম্পদ আৰু বিজ্ঞান – প্ৰযুক্তিৰ মাজত পাৰস্পৰিক সম্পৰ্ক আছে। সম্পদৰ উত্তৰণত বিজ্ঞান প্ৰযুক্তিৰ যথেষ্ট অৰিহণা আছে। অৰ্থাৎ সম্পদ উৎঘাটন আৰু সম্পদৰ সঠিক ব্যৱহাৰৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰয়োজন হয়।

(ক) সম্পদৰ আৱিষ্কাৰ: সম্পদৰ আৱিষ্কাৰৰ মূলতে হল বিজ্ঞান।

বিজ্ঞান আৰু প্ৰযুক্তিৰ অবিহনে বেছিভাগ সম্পদেই লুপ্ত আৰু অজ্ঞাত হৈ থাকিলহেঁতেন। আধুনিক বিজ্ঞান – প্ৰযুক্তিৰ ব্যৱহাৰ অবিহনে বৰ্তমান আমি ব্যৱহাৰ কৰি থকা বহুতো খনিজ সম্পদ ভূ – গৰ্ভত লুপ্ত অৱস্থাত থাকিলহেঁতেন।

(খ) নিষ্ক্ৰিয় সামগ্ৰীৰ ৰূপান্তৰ: বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নয়নৰ বাবে মানুহৰ কৌশল আৰু শ্ৰম ব্যৱহাৰ কৰি পৃথিৱীৰ বহুতো নিষ্ক্ৰিয় সামগ্ৰী আৰু প্ৰতিৰোধকক সম্পদলৈ সলনি হৈছে।